ভাৰতীয় জনতা পাৰ্টি

(কেন্দ্ৰীয় কাৰ্য্যালয়)

১১,অশোক ৰোড, নতুন দিল্লী - ১১০০০১

দুৰভাষ নং -২৩০০৫৭০০, ফেক্স - ২৩০০৫৭৮৭

দিনাংক - ৮ জানুৱাৰী ২০১৪

## বি জে পি ৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ শ্ৰীমতী নিৰ্মলা চিথাৰমনৰ দ্বাৰা জাৰী সংবাদ বিবৃত্তি

বাংলাদেশত থকা সংখ্যালঘূ হিন্দু সম্প্ৰদায়ৰ বিৰুদ্ধে হোৱা হিংসাৰ বি জে পি য়ে কঠোৰ ভাষাত গৰিহনা যোগাইছে ।

আমি যদিও সন্মান কৰো যে ঘৰুৱা সুৰক্ষাৰ বিষয়টো বাংলাদেশৰ নিজা সমস্যা, কিন্ত নিৰ্বাচনৰ পাছত হোৱা হিংসা তেওঁলোকৰ আভ্যন্তৰীণ বিষয় হৈ থকা নাই । বহুতো প্ৰতিবেদনত উল্লেখ কৰা হৈছিল যে পূৰ্বী জিলাৰ ঠাকুৰ গাওঁ, দক্ষিণ জিলাৰ ছিটা গাওঁ আৰু পশ্চিমি জেছোৰত সংখ্যালঘূ গাওঁ সমুহত শৃংখলাবদ্ধভাৱে আক্ৰমণ কৰা হৈছিল । বাংলাদেশৰ সংবাদ মাধ্যমেও ৪ খন জিলাত হিন্দু সম্প্ৰদায়ৰ লোকৰ ওপৰত এনে আক্ৰমণক গৰিহনা দিছে । আৰু লগতে উল্লেখ কৰিছে যে নিৰ্বাচনৰ পাছত সংখ্যালঘূ সম্প্ৰদায়ৰ শ শ ঘৰ বিনষ্ট কৰি লণ্ডভণ্ড কৰি দিছিল ।

ঠিক একেদৰে পাকিস্থানৰ হিন্দু কাউন্সিলেও সকিয়নি দিছে যে কিছুমান হিন্দু নাৰীক অত্যাচাৰ আৰু যৌন নিৰ্যাতন কৰি জোৰজবৰযস্তিভাৱে ধৰ্ম পৰিৱৰ্ত্তন কৰাইছে । পাকিস্থানৰ ডাউন ডট কমেও উল্লেখ কৰিছে যে হিন্দু নাৰীৰ জোৰজবৰযস্তিভাৱে ধৰ্ম পৰিৱৰ্ত্তন কৰোৱা, অন্যান্য ভেদা-ভাৱ আৰু অপৰাধ যেনে- হিন্দু মন্দিৰৰ ওপৰত আক্ৰমণৰ বাবে ২০১২ চনত ৩০০০ তকৈও অধিক হিন্দু লোক ভাৰতলৈ পলায়ণ কৰিছিল । ইউনাইটেড নেচনৰ ক'ৰডিনেচন অফ হিউমেনিটেৰিয়ান এফেয়াৰচৰ সংবাদসেৱা আই আৰ আই এনেও হিন্দু নাৰীৰ যৌন নিৰ্যাতনৰ ওপৰিও যে তেওঁলোকক জোৰজৱৰযস্তিভাৱে ইছলাম ধৰ্মলৈ পৰিৱৰ্ত্তন কৰোৱাইছিল সেইকথা প্ৰতিবেদনত উল্লেখ কৰিছিল । ভাৰতৰ সংবাদমাধ্যমেও উল্লেখ কৰিছে যে প্ৰতিমাহে ১৫ ৰ পৰা ২০ টা ঘটনা কেৱল কৰাছী চহৰতে পৰিলক্ষিত হয় । এছিয়ান হিউমেন ৰাইট কমিচনেও (এ এইচ আৰ চি) একে কথাকে প্ৰকাশ কৰিছে । পাকিস্থানেই হওক বা বাংলাদেশ, চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ অস্থিৰতাৰ ফলত সংখ্যালঘূ হিন্দুসকলহে হাৰাশাস্তি হোৱা দেখা গৈছে ।

এই সন্দৰ্ভত ভাৰতৰ বিদেশ মন্ত্ৰীয়ে কূটনীতিৰ বিষয়বস্ত হিচাপে উক্ত বিষয়সমূহ উত্থাপিত কৰিব লাগে ।

অৰুণ কুমাৰ জৈন

কাৰ্য্যালয় সচিব